জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫/২০২১

# তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ ওম প্ৰকাশ দাসৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৪ মে' ঃ** ক'ভিডত আক্ৰান্ত হৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ ওম প্ৰকাশ দাসৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ক'ভিড-১৯ ৰ সংক্ৰমণৰ এই জটিল সময়ত এগৰাকী আগশাৰীৰ ক'ভিড যোদ্ধাৰ মৃত্যু ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি। ডাঃ ওম প্ৰকাশ দাসে ৰাজ্যখনৰ স্বাস্থ্য খণ্ডলৈ নিষ্ঠা সহকাৰে যি সেৱা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ডাঃ ওম প্ৰকাশ দাসৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ডাঃ ওম প্ৰকাশ দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৪/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in